


অসম আদিত্য

☐ অসম আদিত্য, ডিব্ৰুগড় ☐ শনিবাৰ, ১০ আগষ্ট, ২০২৪ ☐ ২৫ শাওণ, ১৯৪৬ শক


# মানৱ সভাত্যৰ বিকাশত গ্ৰন্থাগাৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে ঃ ড° ডেকা

## ডিব্ৰুগড়ত গ্ৰন্থাগাৰিক দিৱস উদ্‌যাপন

**ডিব্ৰুগড়, ৯ আগষ্টঃ** 'মানৱ সভ্যতাৰ বিকাশ আৰু বৃদ্ধিত পুথি ভঁৰালসমূহে সদায় গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। পুথি ভঁৰালসমূহে প্ৰতিটো প্ৰজন্মৰ জ্ঞান সংৰক্ষণ কৰি মানৱ জাতিৰ উত্তৰণত সহায় কৰি আহিছে। পুথি ভঁৰালসমূহে নতুন ধাৰণা অন্বেষণ কৰিবলৈ, চিন্তা কৰিবলৈ আৰু প্ৰয়োজনীয় জ্ঞান, দক্ষতা বিকাশ কৰিবলৈ জ্ঞানৰ দৰে সম্পদ প্ৰদান কৰে। সেয়ে পুথি ভঁৰালৰ প্ৰয়োজনীয়তা ডিজিটেল যুগতো বৃদ্ধি পাইছে। পুথি ভঁৰালসমূহত লেখক, চিন্তাবিদ, দাৰ্শনিকসকলৰ চিন্তাৰাজি খুপ খুৱাই ৰখা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকাই আজি এইদৰে কয়। গ্ৰন্থাগাৰিক দিৱস উদ্বোধন কৰি প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকাই কয়— পুথি ভঁৰালসমূহে মানুহৰ সভ্যতাৰ বিকাশত, সৃষ্টিশীলতাক সদায় গুৰুত্ব দি আহিছে। গ্ৰন্থাগাৰিকসকলক সময়ৰ স'তে আগুৱাই যাবলৈ পৰামৰ্শ দি গ্ৰন্থাগাৰৰ বিভিন্ন দিশ সম্পৰ্কত বিস্তৃত আলোকপাত কৰি তেওঁ গ্ৰন্থাগাৰিকসকলক ন ন চিন্তাৰে দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। ড° ডেকাই ৰংগনাথনৰ জীৱনৰ বহুকেইটা দিশ অতি সহজভাৱে ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত ডিব্ৰুগড় গ্ৰন্থাগাৰিক সন্থাৰ সভাপতি তথা ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— গ্ৰন্থই মানুহৰ ভৱিষ্যৎ, সভ্যতাৰ ভৱিষ্যৎ। পুথি ভঁৰাল অবিহনে মানৱ সমাজৰ কোনো অতীতো নাই আৰু ভৱিষ্যতো নাই। পুথি ভঁৰাল বা গ্ৰন্থই এটা সভ্যতা, এটা জাতি, মানুহৰ চিন্তা আৰু দৰ্শনক প্ৰতিনিধিত্ব কৰে। এখন দলঙে যিদৰে দুটা পাৰক সংযোগ কৰে, তেনেকৈ ইতিহাসৰ স'তে সংযোগ কৰে পুথি ভঁৰালসমূহে। অধ্যক্ষগৰাকীয়ে কয় যে জ্ঞান, প্ৰজ্ঞা আৰু শিক্ষাৰ অন্যতম গুৰুত্বপূৰ্ণ স্তম্ভ হ'ল পুথি ভঁৰলাসমূহ। তেওঁ কয়— পুথি ভঁৰালসমূহ কিতাপৰ সংকলনতকৈও অধিক গুৰুত্বপূৰ্ণ। ই প্ৰজ্ঞাৰ ভঁৰাল, জীৱনৰ বাবে প্ৰয়োজন হৈ উঠা চিন্তা, দৰ্শনবোৰৰ জীৱন্ত প্ৰতীক। জ্ঞান আৰু শিক্ষাৰ বাবে হাবাথুৰি খোৱাসকলৰ বাবে পুথি ভঁৰালসমূহ হ'ল চমকপ্ৰদ আশ্ৰয়। অনুষ্ঠানত ভাৰতবৰ্ষৰ নমস্য গ্ৰন্থাগাৰিক, গ্ৰন্থাগাৰৰ জনক, বাটিকটীয়া এছআৰ ৰংগনাথনৰ



জীৱনৰ কিছু দিশ আলোকপাত কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° উৎপল দাসে নতুন শিক্ষানীতিৰ অধীনত গ্ৰন্থাগাৰিকসকলে ল'ব লগা বিভিন্ন কাৰ্যকৰী ব্যৱস্থা আৰু কেনেকৈ প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰিব পাৰি সেই সম্পৰ্কে অতি সুন্দৰ তথা মননশীল বক্তৃতা প্ৰদান কৰে। ড° দাসে ভৱিষ্যতে গ্ৰন্থাগাৰিকসকলে কিদৰে সমস্যাসমূহ সমাধান কৰিব সেই সম্পৰ্কেও কয়। গ্ৰন্থাগাৰিক দিৱসৰ কাৰ্যসূচীত অতিথিসকলক আদৰণি জনায় ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমায়ে। উদ্দেশ্য ব্যাখ্যা কৰে গ্ৰন্থাগাৰিক সন্থাৰ সম্পাদক যাদৱ শইকীয়াই। সভাখন আঁত ধৰে ডিব্ৰু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক দীপিকা দাসে। একেটা অনুষ্ঠানতে ডিব্ৰু মহাবিদ্যালয়ৰ উপাধ্যক্ষা চন্দনা কোঁৱৰে গ্ৰন্থৰ প্ৰয়োজনীয়তা সম্পৰ্কত বক্তব্য ৰাখে। অনুষ্ঠানত ডিব্ৰু মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ পঢ়ুৱৈ শিক্ষাৰ্থীৰ লগতে অন্যান্য কৃতিত্বমূলক কেইবাটাও বিষয়ত প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়।